**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

**নং ঃ ৫৯৫/২০১৯**

# ২০১৯ বৰ্ষৰ সাহিত্য একাডেমী বঁটা প্ৰাপকক মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ১৮ ডিচেম্বৰ ঃ** ২০১৯ বৰ্ষৰ সাহিত্য একাডেমী বঁটা প্ৰাপক ড° জয়শ্ৰী গোস্বামী মহন্ত আৰু ড° ফুকন চন্দ্ৰ বসুমতাৰীক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তৰিক অভিনন্দন জনাইছে। উল্লেখ্য যে সাহিত্য একাডেমীয়ে আজি ঘোষণা কৰা ২০১৯ বৰ্ষৰ সাহিত্য একাডেমী বঁটা অসমীয়া সাহিত্যৰ 'চাণক্য' উপন্যাসৰ বাবে ড° জয়শ্ৰী গোস্বামী মহন্তই লাভ কৰাৰ উপৰি বড়ো ভাষাৰ কবিতাপুথিৰ বাবে ড° ফুকন চন্দ্ৰ বসুমতাৰীয়ে এই সন্মান লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে এই দুয়োগৰাকী সাহিত্যিকলৈ আন্তৰিক অভিনন্দন জনোৱাৰ উপৰি আগন্তুক দিন সমূহতো সাহিত্যিক দুগৰাকীয়ে ৰাজ্যখনৰ ভাষা-সাহিত্যৰ উত্তৰণৰ দিশত অনৱদ্য সেৱা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৮/১২/২০১৯**